3. Write a short note on the federal Constitution of U.S.A.
4. What do you mean by the theory of Separation of Powers? Whether the U.S.A. Constitution is based on the theory of Separation of Powers?

**ৰচনাধৰ্মী প্ৰশ্ন (Essay Type Questions) ঃ**

1. Discuss the various features of the American Constitution.
2. Compare the U.S.A. Constitution with that of the U.K. Constitution.
3. Compare the U.S.A. Constitution with Switzerland Constitution.
4. The U.S.A. Constitution is based on the theory of Checks and Balances. Discuss
5. Compare the American Constitution with thatof the Constitution of Peoples Republic of China. [D.U. 98, 2000]

## চীন প্ৰজাতন্ত্ৰৰ সংবিধানৰ বৈশিষ্ট্য (Features of the People's Republic of China Constitution) ঃ

চীন প্ৰজাতন্ত্ৰৰ ১৯৫৪ চনৰ পৰা বৰ্তমান সময়লৈকে ৪ খন সংবিধান কাৰ্যকৰী কৰা হৈছে। প্ৰথমখন সংবিধান ১৯৫৪ চনত, দ্বিতীয়খন ১৯৭৫ চনত, তৃতীয়খন ১৯৭৮ চনত আৰু ১৯৮২ চনত আন এখন সংবিধান কাৰ্যকৰী কৰা হৈছে। নতুন সংবিধান অনুসৰি চীন প্ৰজাতন্ত্ৰৰ বহুতো বৈশিষ্ট্য আছে আৰু সেই বৈশিষ্ট্যবিলাক হ'ল—

**১। সমাজতান্ত্ৰিক ৰাষ্ট্ৰ (Socialist State) ঃ**

নতুন সংবিধান মতে চীন প্ৰজাতন্ত্ৰক এখন সমাজবাদী ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিয়া হৈছে আৰু এনে সমাজবাদী ৰাষ্ট্ৰৰ শাসন গণতান্ত্ৰিক একনায়কত্ববাদৰদ্বাৰা পৰিচালিত কৰা হয়। গণতান্ত্ৰিক একনায়কত্ববাদ শ্ৰমিক আৰু কৃষকৰ প্ৰতিনিধিৰদ্বাৰা গঠিত হয়। চীনৰ কৃষক আৰু শ্ৰমিকসকল বিপ্লৱৰ সময়তে একগোট হৈ ৰাষ্ট্ৰখনৰ সংখ্যাগৰিষ্ঠ গোট হিচাপে পৰিলক্ষিত হয়। কৃষকৰ লগতে অকৃষকসকলেও শ্ৰমিকসকলৰ লগত সহযোগ কৰিছিল। এইদৰে সকলো শ্ৰেণীৰ শ্ৰমিক সংঘবদ্ধ হৈ শ্ৰমিক শ্ৰেমীৰ নেতৃত্বও স্বীকৃতি দিয়ে। শ্ৰমিকসকলে তেওঁলোকৰ ক্ষমতা ৰাষ্ট্ৰীয় জনকংগ্ৰেছ, ৰাষ্ট্ৰীয় পৰিষদ, স্থায়ী সমিতি আদি সংগঠনৰদ্বাৰা পৰিচালনা কৰে। এনে সমাজবাদী ৰাষ্ট্ৰত কোনো ব্যক্তিয়ে বা সংগঠনে ৰাষ্ট্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হ'ব নোৱাৰে, সমাজবাদী ৰাষ্ট্ৰৰ উৎপাদনৰ ক্ষেত্ৰত এই দুই প্ৰকাৰৰ মালিকী স্বত্ব থাকে। এটা স্বত্ব দেশৰ সকলো লোকৰ সমাজবাদী স্বত্ব আৰু আনটো হ'ল দেশৰ শ্ৰমিকসকলৰ সমূহীয়া মালিকী স্বত্ব। সমাজবাদী ৰাষ্ট্ৰৰ সম্পত্তিৰ সমূহীয়া মালিকী স্বত্ব আছে যদিও ব্যক্তিগতভাৱেও কৃষিৰ লগত জড়িত নথকা লোকক ব্যক্তিগতভাৱে উপাৰ্জন কৰিবলৈ দিব পাৰে। কিন্তু তেনে শ্ৰমিকৰ কামৰদ্বাৰা যাতে আন কোনো ব্যক্তি শোষিত হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। তদুপৰি আইনৰ সীমিত গণ্ডীৰ মাজত থাকিহে ব্যক্তিগতভাৱে কোনো সম্পত্তি মালিকী স্বত্বৰ অধিকাৰী হ'ব পাৰে। ৰাষ্ট্ৰই প্ৰয়োজন সাপেক্ষে কোনো মাটি অধিগ্ৰহণ কৰিব পাৰে। সেই অনুপাতে আইন অনুসৰি নগৰ বা চহৰত থকা মাটি বা আন উৎপাদন আহিলা আইমনতে ৰাষ্ট্ৰীয়কৰণ কৰিব পাৰে।

**২। সংবিধানিক মুৰব্বী (Constitutional Head) ঃ**

চীন প্ৰজাতন্ত্ৰৰ সংবিধানৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে যে ৰাষ্ট্ৰখনৰ মুৰব্বী হিচাপে এজন সাংবিধানিক মুৰব্বীৰ ব্যৱস্থা কৰিছে। ১৯৫৪ চনৰ সংবিধানৰ আধাৰত ৰাষ্ট্ৰপ্ৰধানজনক চেয়াৰমেন হিচাপে অভিহিত কৰিছিল। ৰাষ্ট্ৰপতিজনক ৰাষ্ট্ৰীয় কংগ্ৰেছে নিৰ্বাচিত কৰে আৰু তেওঁক ৰাষ্ট্ৰীয় জনকংগ্ৰেছে নিৰ্দিষ্ট কাৰ্যকালৰ আগতে অপসাৰণ

কৰিব পাৰে। ৰাষ্ট্ৰীয় জনকংগ্ৰেছে ৰাষ্ট্ৰপতিজনক ৫ বছৰীয়া কাৰ্যকালৰ কাৰণে নিৰ্বাচিত কৰে অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰৰ মুৰব্বীৰ নিচিনাকৈ চীন প্ৰজাতন্ত্ৰৰ মুৰব্বীজনৰ কিছুমান আনুষ্ঠানিক ক্ষমতা আছে।

**৩। সাংবিধানিক সৰ্বোচ্চতা (Supremacy of the Constitution) :**

সংবিধানৰ ৫ নং অনুচ্ছেদ অনুসৰি সংবিধানখনক সৰ্বোচ্চ ক্ষমতাসম্পন্ন বুলি আখ্যা দিয়া হৈছে। দেশৰ কোনো আইন নাইবা প্ৰশাসনৰ স্থানীয় নীতি-নিয়ম সংবিধানৰ পৰিপন্থী হ'ব নেলাগে। প্ৰতিজন লোকে সংবিধানৰ প্ৰতি অনুৰক্ত হ'ব লাগে। সেই অনুপাতে চৰকাৰৰ বিভিন্ন সংগঠনবিলাকে সংবিধান অনুসৰিয়ে কাৰ্যনিৰ্বাহ কৰিব লাগে। কোনো সংগঠন বা ব্যক্তি সংবিধান, আইন উপেক্ষা কৰি বিশেষ সা-সুবিধাৰ অধিকাৰী হ'ব নোৱাৰে। ৰাষ্ট্ৰৰ সকলো সংগঠন, দেসৰ সৈন্যবাহিনী, ৰাজনৈতিক দল, সকলো ঔদ্যোগিক প্ৰতিষ্ঠানে সংবিধান অনুসৰি নিজৰ দায়িত্ব পালন কৰিব লাগে। দেশৰ সংবিধান, আইন ভংগ কৰিলে শাস্তি বিহাৰ বিধান আছে।

**৪। সংসদীয় চৰকাৰ (Parliamentary Government) :**

চীনৰ সংবিধানে সংসদীয় চৰকাৰৰ বিধান কৰিছে। চীনৰ মন্ত্ৰীপৰিষদখনক ৰাষ্ট্ৰীয় পৰিষদ বুলি কোৱা হয় আৰু এই পৰিষদখনৰ মন্ত্ৰবিলাকক সংসদীয় চৰকাৰৰ নিচিনাকৈ নিৰ্বাচিত কৰা হয়। ৰাষ্ট্ৰীয় পৰিষদৰ প্ৰধানমন্ত্ৰীজনক ৰাষ্ট্ৰপতিৰ অনুমোদন সাপেক্ষে আৰু অন্যান্য মন্ত্ৰীসকলক প্ৰধানমন্ত্ৰীৰ অনুমোদন সাপেক্ষে নিৰ্বাচিত কৰা হয়। ৰাষ্ট্ৰীয় পৰিষদখন নিজ কাৰ্যাৱলীৰ কাৰণে ৰাষ্ট্ৰীয় জনকংগ্ৰেছৰ ওচৰত দায়বদ্ধ। মন্ত্ৰসকলক ৰাষ্ট্ৰী জনকংগ্ৰেছৰ সদস্যসকলে বিভিন্ন প্ৰশ্ন, পৰিপূৰণ প্ৰশ্ন সুধিব পাৰে আৰু তেনে প্ৰশ্নৰ উত্তৰ মন্ত্ৰীসকলে দিবলৈ বাধ্য। তদুপৰি মন্ত্ৰীপৰিষদে নিজ কাৰ্যাৱলী সম্পৰ্কে ৰাষ্ট্ৰীয় কংগ্ৰেছৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগে। ৰাষ্ট্ৰীয় জনকংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত নোহোৱাৰ সময়ত স্থানীয় কমিটিৰ ওচৰত ইয়াৰ প্ৰতিবেদন দাখিল কৰিব লাগে।

**৫। লিখিত আৰু দৃঢ় সংবিধান (Written and Rigid Constitution) :**

আগৰ সংবিধানকেইখনৰ নিচিনাকৈ ১৯৮২ চনৰ সংবিধানখনো এখন লিখিত সংবিধান। এই সংবিধানখন সংবিধান পৰ্যালোচনা কৰা সমিতিয়ে প্ৰায় দুবছৰতকৈ অধিক কাল আলোচনা কৰি ইয়াৰ খচৰা প্ৰস্তুত কৰিছিল। তদুপৰি খচৰা সংবিধানখনৰ প্ৰতিটো অনুচ্ছেদকে ৰাষ্ট্ৰীয় পৰ্যায়তো আলোচনা কৰি ১৯৮২ চনৰ ৪ ডিচেম্বৰত গ্ৰহণ কৰে। সংবিধানখনক মুঠতে চাৰিটা অধ্যায়ত ভাগ কৰি ১৩৮ টা অনুচ্ছেদত সন্নিবিষ্ট কৰিছে।

সংবিধানখন পূৰ্বৰ সংবিধানৰ নিচিনাকৈ নমনীয়া নহয়। এই সংবিধানখন সাধাৰণ আইন প্ৰণয়ন কৰা পদ্ধতিৰে সংশোধন কৰিব নোৱাৰি। সংবিধান সংশোধনীৰ প্ৰভাৰ কংগ্ৰেছৰ সকলো সদস্যৰ ২/৩ অংশতকৈ অধিক সংখ্যাগৰিষ্ঠ ভোটাধিক্যত গ্ৰহণ কৰি সংবিধানৰ সংশোধন সাধন কৰিব পাৰি।

**৬। এককেন্দ্ৰিক চৰকাৰ (Unitary Government) :**

নতুন সংবিধানে চীন প্ৰজাতন্ত্ৰৰ কাৰণে এককেন্দ্ৰিক চৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। দেশ প্ৰশাসনত সকলো ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰিছে। ইয়াত কোনো ক্ষমতা বিভাজনৰ ব্যৱস্থা নাই। প্ৰাদেশিক, আঞ্চলিক আৰু স্থানীয় চৰকাৰবিলাকে কেন্দ্ৰীয় চৰকাৰৰ পৰাহে ক্ষমতা আহৰণ কৰে। আনকথাত কেন্দ্ৰীয় চৰকাৰে স্থানীয় চৰকাৰবিলাকৰ পদমৰ্যাদা সাল-সলনি ঘটাব পাৰে। কেন্দ্ৰীয় চৰকাৰে নতুন প্ৰশাসনীয় গোট গঠন কৰিব পাৰে।

**৭। মৌলিক অধিকাৰ আৰু কৰ্তব্য (Fundamental Rights and Duties) :**

নতুন সংবিধান পূৰ্বৰ সংবিধানকেইখনৰ নিচিনাকৈ নাগৰিকৰ মৌলিক অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে উল্লেখ কৰিছে। নাগৰিকৰ বিভিন্ন মৌলিক অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে এখন দীঘলীয়া তালিকা আছে। চীন প্ৰজাতন্ত্ৰত কাৰ্য কৰা আৰু শিক্ষাগ্ৰহণ কৰাটোকো মৌলিক অধিকাৰ হিচাপে ধৰা হৈছে। নাগৰিকসকলৰ নিৰ্বাচনত প্ৰতিনিধিত্ব

নাই। ১৯৫৪ চনত ইয়াৰ প্ৰথমখন সংবিধান প্ৰণয়ন কৰাৰ পিছৰ পৰা বৰ্তমান সময়লৈকে তিনিখন সংবিধান অধিক সফলতাৰে বলৱৎ কৰিবলৈ সক্ষম হৈছে।

গতিকে চীনৰ সংবিধান অধ্যনয়ৰ প্ৰতি ৰাজনীতি বিজ্ঞানৰ ছাত্ৰসকলৰ আগ্ৰহ থকাটো অস্বাভাৱিক নহয়।

৭। **সমাজবাদ (Socialism) ঃ**

বিশ্বৰ কেইখনমান ৰাষ্ট্ৰতহে বিপ্লৱৰদ্বাৰা সমাজবাদ প্ৰতিষ্ঠা কৰা হৈছে। সেইবিলাকৰ ভিতৰত চীন প্ৰজাতন্ত্ৰও অন্যতম। গতিকে কেনেকৈ চীনত সমাজবাদ প্ৰতিষ্ঠা কৰা হ'ল আৰু ই কেনেদৰে কাৰ্যনিৰ্বাহ কৰিছে তাৰ কাৰণেও ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছে।

৮। **নাগৰিকৰ অধিকাৰ (Rights of Citizens) ঃ**

চীনৰ সংবিধানে ইয়াৰ নাগৰিকক বহুতো দিশত বহুতৌ মৌলিক অধিকাৰ আৰু কৰ্তব্য প্ৰদান কৰিছে। চীনৰ নাগৰিকে কেনেকৈ এই অধিকাৰ ভোগ কৰাৰ লগতে তেওঁলোকৰ দায়িত্ব পালন কৰিছে তাক জনাৰ প্ৰতিও চিন্তাবিদসকল আগ্ৰহী। চীনৰ সংবিধানে নাগৰিকক বিভিন্ন দিশত বহুতো অধিকাৰ প্ৰদান কৰিলেও বাস্তৱক্ষেত্ৰত তেওঁলোকে সেই অধিকাৰবিলাক ভোগ কৰিব নোৱাৰে। উপৰোক্ত কাৰণ চীন প্ৰজাতন্ত্ৰৰ সংবিধান অধ্যয়নৰ গুৰুত্ব বৃদ্ধি পাইছে।

## সংক্ষেপতে অধ্যায়টি

**চীন প্ৰজাতান্ত্ৰিক সংবিধানৰ বৈশিষ্ট্য ঃ**

১। সমাজতান্ত্ৰিক ৰাষ্ট্ৰ।
২। সাংবিধানিক মুৰব্বী।
৩। সংবিধানৰ সৰ্বোচ্চতা।
৪। সংসদীয় চৰকাৰ।
৫। লিখিত আৰু দৃঢ় সংবিধান।
৬। এককেন্দ্ৰিক চৰকাৰ।
৭। মৌলিক অধিকাৰ আৰু কৰ্তব্য।
৮। এক সদনযুক্ত আইন সভা।
৯। কেন্দ্ৰীয় সামৰিক আয়োগ।
১০। গণতান্ত্ৰিক কেন্দ্ৰীয়কৰণ।
১১। স্থায়ী সমিতি।
১২। পৰিকল্পিত অৰ্থনীতি।
১৩। উচ্চতন গণ আদালত।
১৪। প্ৰস্তাৱনা।
১৫। প্ৰত্যাৱৰ্তনৰ ব্যৱস্থা।
১৩। সাম্যৰ নীতি